# ২০১২ৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাপ্ৰাপ্ত ছবি

# চিল্লৰ পাৰ্টী

চলচ্চিত্ৰ ┊ জিতুমণি পাঠক



নিতেশ তিৱাৰী

এই বৰ্ষৰ ৫৯তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান অনুষ্ঠানত এখন হিন্দী ভাষাৰ শিশু ছবিয়ে 'শ্ৰেষ্ঠ শিশু ছবি'ৰ বঁটা আঁজুৰি আনিবলৈ সক্ষম হৈছিল। শ্ৰেষ্ঠ শিশু ছবিৰ উপৰি ছবিখনলৈ আহিছিল আন দুটা বঁটা— 'শ্ৰেষ্ঠ চিত্ৰনাট্য' আৰু 'শ্ৰেষ্ঠ অভিনয় শিল্পী'ৰ। এটি সহজ-সৰল বিষয়বস্তুক অলপ ভিন্নতাৰে প্ৰদৰ্শন কৰি দৰ্শক তথা সমালোচকৰ প্ৰশংসা আদায় কৰিবলৈ সক্ষম হৈছিল এই ছবিখনে। ছবিখনৰ নাম 'চিল্লৰ পাৰ্টী'। চলমান খান আৰু ৰণি স্ক্ৰুৱালা প্ৰযোজিত ছবিখনৰ পৰিচালক দুগৰাকী হ'ল— নিতেশ তিৱাৰী আৰু বিকাশ ভাল। প্ৰথমখন ছবি পৰিচালনাৰ জৰিয়তেই দুই নৱাগত পৰিচালকে তেওঁলোকৰ প্ৰতিভাৰ উমান দিবলৈ সক্ষম হ'ল।

'চিল্লৰ পাৰ্টী' ছবিখন মূলতঃ হাস্য-ব্যঙ্গ ছবি যদিও হাস্যৰসৰ মাজেৰে পৰিচালকদ্বয়ে কিছু সংবেদনশীল বিষয়বস্তুক উপস্থাপন কৰিছে। চিনেমাখনৰ আৰম্ভণি হয় মুখ্য চৰিত্ৰসমূহৰ এক হাস্যকৰ পৰিচয়ৰ জৰিয়তে। ছবিখনৰ পটভূমি চন্দন নগৰ ছ'চাইটী, য'ত এটা ডাঙৰ এপাৰ্টমেণ্টত কেইবাটাও পৰিয়ালে বসবাস কৰে; আৰু তাৰে আঠটা শিশুৱেই হ'ল ছবিখনৰ কেন্দ্ৰীয় চৰিত্ৰ। এই আঠটি শিশুৰ প্ৰত্যেকৰে এটা এটা বিশেষ পৰিচয় আৰু উপনাম আছে, যেনে— ফাষ্ট বলাৰ ৰামশেখৰ হ'ল- আক্ৰাম, মাষ্টাৰমাইণ্ড অৰ্জুন হ'ল এনচাইক্ল'পেডিয়া আদি। সিহঁত মানুহবোৰৰ দৰে সিহঁতৰ দলটিৰো এটি উপনাম আছে, 'চিল্লৰ পাৰ্টী'।

'চিল্লৰ পাৰ্টী'ৰ উমৈহতীয়া শত্ৰু দুজন। প্ৰথম, ওখ-পাখ, শকত-আৱত 'অভাৰ ছাইজড' সদস্যৰে গঠিত চুবুৰীয়া ক্ৰিকেট টীমটো আৰু দ্বিতীয়টো হ'ল এটা কুকুৰ, যাৰ নাম সিহঁতে ৰাখিছে 'লুজ ম'শ্যন'। লুজ ম'শ্যনে যেতিয়াই-তেতিয়াই সিহঁতৰ ক্ৰিকেট গ্ৰাউণ্ডখনৰ য'তে-ত'তে বিষ্ঠা ত্যাগ কৰি সিহঁতক অতিষ্ঠ কৰি ৰাখে। ইয়েই সিহঁতৰ সকলো কুকুৰৰ প্ৰতি এক বিদ্বেষ ভাৱৰ সৃষ্টি কৰিলে।


কুকুৰৰ সমস্যাক লৈ ব্যতিব্যস্ত হৈ থকাৰ সময়তে সিহঁতৰ বন্ধু লাকী সিঙে (যাৰ উপনাম পনৌতি, কিয়নো সি সদায় যি কৰে সদায় তাৰ ওলোটাটোহে ঘটে) এদিন ঘোষণা কৰিলে যে সিহঁতৰ ছ'চাইটীলৈ আৰু ভৱিষ্যতে কোনো কুকুৰ নাহে। তাৰ কথাত সিহঁত আটাইবোৰে আশা হেৰুৱাই পেলালে; আৰু তাৰ ঠিক পিছে পিছে সিহঁতৰ ছ'চাইটীলৈ ফট্কা নামৰ এটি শিশুৰ আৱিৰ্ভাৱ ঘটিল। ছ'চাইটীৰ গাড়ীবোৰ চাফা কৰিবলৈ তাক অনা হৈছিল। ফট্কাৰ লগত এটি কুকুৰ। যাৰ নাম 'বিধু'। প্ৰথমদিনাখনৰ- পৰাই চিল্লৰ পাৰ্টীয়ে বিধুক খেদিবলৈ সকলোধৰণৰ প্ৰচেষ্টা আৰম্ভ কৰি দিয়ে। কিন্তু সিহঁতৰ চেষ্টা ব্যৰ্থ হয়। বিভিন্ন ধৰণৰ ঘটনা-উপঘটনাৰ পিছত লাহে লাহে ফট্কা আৰু সিহঁতৰ মাজত বন্ধুত্ব গঢ় লৈ উঠে। লগে লগে বিধুৰ প্ৰতিও সিহঁতৰ মৰম উপজিল। বিধু আৰু ফট্কা চিল্লৰ পাৰ্টীৰ দুজন গুৰুত্বপূৰ্ণ সদস্য হৈ পৰিল।

এদিন বিধুৱে এগৰাকী মন্ত্ৰীৰ সচিবজনক কামোৰে। ইয়াতে ক্ষুণ্ণ হৈ মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে যে মুম্বাইক নিৰাপদ কৰিবলৈ বাটে-পথে যিমানবোৰ কুকুৰ ঘূৰি ফুৰে সেই আটাইবোৰকে ধৰি মহানগৰৰপৰা আঁতৰ কৰা হ'ব।




মন্ত্ৰীগৰাকীৰ সেই ঘোষণাৰ পিছত চিল্লৰ পাৰ্টী বিধুক লৈ ভীষণ সংকটত পৰিল। বিধুক তেতিয়াহে সিহঁতৰ লগত ৰখাটো সম্ভৱ হ'ব যদিহে ছ'চাইটীৰ মুঠ ৬০ জন সদস্যৰ ৩১জনে (৫০ শতাংশতকৈ বেছি) বিধু সম্পৰ্কে 'ন' অবজেক্শ্যন' চাৰ্টিফিকেট' দিয়ে। সময়সীমা ঘোষণা কৰা হ'ল এমাহ। চিল্ল'ৰ পাৰ্টীয়ে বহু চেষ্টা কৰাৰ পিছতো পোন্ধৰ দিনত মাত্ৰ দহটা ভোটহে সংগ্ৰহ কৰিবলৈ সক্ষম হ'ল। সেই সময়ত চিল্লৰ পাৰ্টীৰ মূল শত্ৰু হৈ পৰিছিল মন্ত্ৰীগৰাকীৰ অতি ঘনিষ্ঠ বুলি পৰিচিত ছ'চাইটীৰ চেয়াৰমেন মিঃ টেণ্ডন।

বিধুক বচাবলৈ চিল্লৰ পাৰ্টীয়ে এক অভিনৱ শোভাযাত্ৰা আয়োজন কৰাৰ পৰিকল্পনা কৰিলে। পৰিকল্পনা অনুযায়ী সিহঁত কেৱল শৰীৰৰ নিম্নভাগত অন্তৰ্বাস পৰিধান কৰি ৰাজপথলৈ ওলাই আহিল। সিহঁতক সমৰ্থন জনাবলৈ আৰু বহুতো শিশু একেই পোছাক পিন্ধি ৰাজপথত সিহঁতৰ লগ লাগিল। এনেকৈ বাঢ়ি সেই শোভাযাত্ৰাত অংশগ্ৰহণকাৰীৰ সংখ্যা শতক অতিক্ৰম কৰিলে। এই ঘটনা সকলোবোৰ টিভি চেনেলে 'লাইভ' পৰিৱেশন কৰিলে। যাৰ ফলত সিহঁতৰ ভোটৰ সংখ্যা আৰু ২০ টা বাঢ়ি ত্ৰিশ হ'লগৈ। তাৰ পিছতো সিহঁতক আৰু এটা ভোটৰ প্ৰয়োজন।



বিকাশ ভাল

সেইখিনি সময়তে এটা টিভি চেনেলে সিহঁতৰ সাক্ষাৎকাৰ ল'বলৈ আমন্ত্ৰণ জনালে। চিল্লৰ পাৰ্টীয়ে ভাবিলে এয়ে শেষ সুযোগ। অনুষ্ঠানত সিহঁতে মুখামুখি হ'ল সেই মন্ত্ৰীগৰাকীৰ যিয়ে এই কুকুৰ ধৰা প্ৰক্ৰিয়াৰ আৰম্ভণি ঘটাইছিল। সমগ্ৰ দেশজুৰি অনুষ্ঠানটোৰ লাইভ প্ৰচাৰ হ'ল। মন্ত্ৰীগৰাকীয়ে নিচক ব্যঙ্গৰে চিল্লৰ পাৰ্টীক ধৰাশায়ী কৰিলে। বহুবক্তী সেই মন্ত্ৰীৰ ওচৰত চিল্লৰ পাৰ্টীৰ শোচনীয় অৱস্থা হ'ল। স্কুলৰ কিতাপত সিহঁতে এইবোৰেই শিকিছেনে বুলি মন্ত্ৰীয়ে সিহঁতক ঠাট্টা কৰি অনুষ্ঠানটোৰ প্ৰচাৰ বন্ধ কৰিবলৈ ক'লে। সেই সময়তে চিল্লৰ পাৰ্টীৰ এজন সদস্য 'ছাইলেন্সাৰ' প্ৰথমবাৰৰ বাবে মাত মাতিলে। সি স্কুলৰ কিতাপ এখন খুলি তাত থকা বাক্য এটা আওৰালে— 'We must always help others'। তাৰ পিছত বাকীবোৰেও কিতাপ পঢ়ি এটা এটা বাক্য পঢ়ি শুনালে— 'A friend in need is a friend indeed,' আৰু 'We must do what is right.' সিহঁতে মন্ত্ৰীগৰাকীক সোঁৱৰাই দিলে যে সিহঁতে মাত্ৰ সেই কামবোৰেই কৰিছে যিবোৰ স্কুলৰ কিতাপত ভাল বুলি শিকিছে। সকলোবোৰ দৰ্শকে হৰ্ষোল্লাসেৰে চিল্লৰ পাৰ্টীক সমৰ্থন জনালে। বিবুধিত পৰা মন্ত্ৰী ততাতৈয়াকৈ তাৰ পৰা আঁতৰি পৰিল।

হুইছেল নামৰ বুকুৰ ধৰা মানুহটোৱে ইতিমধ্যে ছ'চাইটীলৈ গৈ বিধুক বিচৰা আৰম্ভ কৰি দিলে। চিল্লৰ পাৰ্টীৰ প্ৰয়োজনীয় এটা ভোট তেতিয়ালৈ গোট খোৱা নাছিল। ছ'চাইটীৰ চেয়াৰমেন টেণ্ডনৰ হাতত তেতিয়া ৩০ টা ভোটৰ সমৰ্থন থকা কাগজখন। কাগজখন হাতত লৈয়ে তেওঁ চিল্লৰ পাৰ্টীৰ টিভিৰ অনুষ্ঠান চাই আছে।

অনুষ্ঠান শেষ কৰিয়েই আটাইবোৰ ল'ৰা-ছোৱালী আহি ছ'চাইটী পালে। আহি দেখে যে বিধু ক'তো নাই। সিহঁতে চাৰিওফালে চালে। নাই, বিধুৰ ছাঁটোও নাই। আটাইবোৰ যেন শোকত স্তব্ধ হৈ পৰিল।' হঠাৎ ক'ৰবাৰ পৰা জঁপিয়াই জঁপিয়াই বিধু সিহঁতৰ ওচৰলৈ লৰৰি আহিল। তাৰ ডিঙিত থকা বেল্টডালত লিখা আছে— 'বিধু— চন্দন নগৰ ছ'চাইটী।' সিহঁতে আৰু দেখিলে ডেস্কত ৩১টা ভোটেৰে 'ন' অবজেক্শ্যন চাৰ্টিফিকেট'খন, য'ত শেষৰটো ভোট ছ'চাইটীৰ চেয়াৰমেন মিঃ টেণ্ডনৰ।

চিল্লৰ পাৰ্টী যদিও শিশুসকলক উপজীব্য কৰি নিৰ্মাণ কৰা ছবি, তথাপি ইয়াৰ বিষয়বস্তুৰ আবেদনে সকলো শ্ৰেণীৰ দৰ্শককে চুই যাবলৈ সক্ষম হৈছে। শিশুসুলভ মনস্কতাৰে আৰম্ভ কৰা অভিনৱ প্ৰতিবাদটিয়ে হাস্যৰসৰ সৃষ্টি কৰিছে যদিও লগতে সিহঁতৰ ঐক্যবদ্ধ মনোভাবটিও তাত সুস্পষ্টভাৱে প্ৰতিভাত হৈছে। তদুপৰি কিতাপৰ জ্ঞান যে কেৱল পৰীক্ষাত উত্তীৰ্ণ হ'বলৈয়ে আয়ত্ত কৰা জ্ঞান নহয়, সেয়া সোঁৱৰাই দি মন্ত্ৰীগৰাকীক লজ্জিত কৰাই নহয়, আনকো যেন চিন্তাৰ খোৰাক যোগাইছে। ৫৯তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰতিযোগিতাত 'শ্ৰেষ্ঠ শিশু ছবি'ৰ বঁটাপ্ৰাপ্তিয়েই এই ছবিৰ মানৰ স্বীকৃতি। ■



## নেচনেল জিঅ'গ্ৰাফিকৰ শ্ৰেষ্ঠ ছবি

